**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসমৰ ৮২ হাজাৰ ৭৫২ হেক্টৰ ভূমি চুবুৰীয়া ৰাজ্যৰ দখলত আছে বুলি সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই কালি বিধানসভাত প্ৰকাশ কৰে। ৰাজ্যখনৰ সৰ্বাধিক ৫৯ হাজাৰ ৪৯০ হেক্টৰ ভূমি নাগালেণ্ডৰ দখলত আছে। একেদৰে অৰুণাচল প্ৰদেশে ১৬ হাজাৰ ১৪৪, মেঘালয়ে ৩ হাজাৰ ৪৪১ আৰু মিজোৰামে ৩ হাজাৰ ৬৭৫ হেক্টৰ ভূমি দখল কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই ভূমিসমূহ দখলমুক্ত কৰাৰ লগতে ৰাজ্যসমূহৰ সৈতে দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে আলোচনা অন্তিম পৰ্যায়ত আছে। কংগ্ৰেছৰ বিধায়ক ৰেকিবউদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীবৰাই কালি বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ বুজাবুজিৰ চুক্তি মতে ভাৰতীয় জৰীপ বিভাগে বৰ্তমান ভূমি জৰীপৰ কাম কৰি আছে আৰু এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে ভূমিৰ সম্পূৰ্ণ তথ্য পোৱা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে অসম-মেঘালয়ৰ মাজত ১২টা এলেকাত সীমা বিবাদ আছে। এই ১২টা এলেকাৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ বাবে তিনিখনকৈ আঞ্চলিক সমিতি গঠন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰে আঞ্চলিক সমিতিসমূহে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছে। সেই অনুযায়ী দুয়োখন ৰাজ্যৰ চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

মেঘালয়ে দাবী কৰা ছটা অঞ্চল সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছিল। অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্য চৰকাৰে ১২খনকৈ আঞ্চলিক সমিতি গঠন কৰিছে। এই সমিতিসমূহেও প্ৰতিবেদন দাখিল কৰিছে। অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩খন গাঁও সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে চুক্তিও সম্পাদন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

আজি অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

০০০০০০০০

দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিত আজি কেইবাখনো উন্নয়নমূলক আঁচনিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। সেই অনুসৰি মঙলদৈত এখন নতুন দলং নিৰ্মাণৰ শুভাৰম্ভ, পাঁচটা নৱনিৰ্মিত

আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন, ১৬ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে ৰামহৰিৰ পৰা চালনীকুছি সংযোগী পথ নিৰ্মাণকাৰ্যৰো আধাৰশিলা স্থাপন কৰা হ'ব। এই উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈৰ বিষ্ণুমন্দিৰ প্ৰাংগণত আজি দিনৰ ১ বজাত এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে।

০০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি কাইলৈ ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত এটা বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছে। এই চিকিৎসা শিবিৰত মহিলাৰ স্বাস্থ্য সচেতনতা সন্দৰ্ভত এখন সজাগতামূলক আলোচনাচক্ৰও অনুষ্ঠিত হ'ব। শিবিৰত মহিলাসকলৰ মুখ গহ্বৰ, স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ বিনামূলীয়া পৰীক্ষণ কৰা হ'ব। জিলা প্ৰশাসনে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ মহিলা আৰু কিশোৰীসকলক আহ্বান জনাইছে।

০০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসৰ সৰ্বাধিক ৩৬৩ ৰানৰ বিজয় লক্ষ্য বান্ধি দি নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক নিৰ্ধাৰিত ৫০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ৩১২ ৰানত সীমাবদ্ধ কৰি ৰাখে। যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাগৰাকী মন্ত্ৰী আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াৰ সৈতে এখন বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ হিতাধিকাৰীসকলৰ মাজত গৃহ বিতৰণৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। অহা ২৩ মাৰ্চত কামৰূপ জিলাত কেন্দ্ৰীয়ভাৱে এই বিতৰণ কাৰ্যসূচী আৰম্ভ হ'ব। ড° শৰ্মাই লগতে বিশ্বনাথ জিলাৰ আয়ুক্তৰ সৈতে জিলাখনত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ হিতাধিকাৰীসকলক আৰ্থিক অনুদান বিতৰণ সন্দৰ্ভত ভিডিঅ' কনফাৰেঞ্চিংযোগে আলাপ কৰি বিভিন্ন বিষয়ৰ বুজ লয়।

০০০০০০০০

সমাপ্ত